# **REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 12-12-2024
**Time :** 1715 Hrs

## ***Assamese Evening Bulletin***
**- - - - - - - - - - - - - -**

ooooo

কেন্দ্ৰীয় মন্ত্ৰী সভাই আজি দেশৰ নিৰ্বাচনী প্ৰক্ৰিয়াটো অধিক উন্নত কৰি তোলাৰ লক্ষ্যৰে সংসদত **এখন দেশ এখন নিৰ্বাচন** সম্পৰ্কীয় বিধেয়ক উত্থাপনত অনুমোদন জনাইছে। সংসদৰ চলিত শীতকালীন অধিবেশনতে এই বিধেয়কখন উত্থাপন হোৱাৰ সম্ভাৱনা আছে। কেন্দ্ৰীয় চৰকাৰৰ সূত্ৰই প্ৰকাশ কৰা মতে এই বিধেয়কখন আইন হিচাপে গৃহীত হ'লে নিৰ্বাচনী প্ৰক্ৰিয়াটো সুসংগত হোৱাৰ লগতে প্ৰক্ৰিয়াটো ক্ষিপ্ৰতা বৃদ্ধি পাব। তদুপৰি কেইবাটাও নিৰ্বাচন ভিন ভিন সময়ত অনুষ্ঠিত কৰাৰ ফলত সৃষ্টি হোৱা বিত্তীয় আৰু প্ৰশাসনীয় চাপ হ্ৰাস পাব বুলি আশা কৰা হৈছে। কেন্দ্ৰীয় চৰকাৰে লোকসভা আৰু ৰাজ্যৰ বিধানসভা নিৰ্বাচন একেলগে অনুষ্ঠিত কৰি ভোটদাতাসকলক দুয়োটা নিৰ্বাচনৰ বাবে একে সময়তে ভোটদান কৰাৰ সুবিধা প্ৰদান কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। ইয়াৰ ফলত নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে প্ৰয়োজন দীঘলীয়া সময় হ্ৰাস কৰাৰ লগতে এই প্ৰক্ৰিয়া চলি থকাৰ সময়ত প্ৰশাসন ব্যৱস্থা পৰিচালনাত হোৱা ব্যাঘাত দূৰ কৰিব পৰা যাব বুলিও আশা কৰা হৈছে। ইয়াৰ আগেয়ে কেন্দ্ৰীয় মন্ত্ৰী সভাই যোৱা ছেপ্তেম্বৰ মাহত এখন দেশ এটা নিৰ্বাচন বিধেয়কৰ বাবে প্ৰস্তাৱ গৃহীত কৰিছিল।

বিৰোধী দলসমূহে চৰকাৰৰ এই সিদ্ধান্তক সমালোচনা কৰি প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। কংগ্ৰেছ দলৰ নেতা তাৰিক আনোৱাৰে বিয়য়টো সন্দৰ্ভত মত প্ৰকাশ কৰি কয়, যে যুক্তৰাষ্ট্ৰীয় শাসন ব্যৱস্থাত এনেধৰণৰ নিৰ্বাচনী প্ৰক্ৰিয়া ৰূপায়ণ কৰাটো সম্ভৱপৰ নহয়। বিৰোধী পক্ষই বিষয়টোত আস্থা প্ৰকাশ কৰা নাই বুলি উল্লেখ কৰি তেওঁ কয়, যে এনেধৰণৰ গুৰুত্বপূৰ্ণ সিদ্ধান্ত লোৱাৰ পূৰ্বে সকলো পক্ষৰ মতামত গ্ৰহণ কৰা প্ৰয়োজন।

ooooo

কোকৰাঝাৰৰ বড়োফা নগৰত আজিৰে পৰা বি টি চি বিধান পৰিষদৰ দুদিনীয়া অধিবেশন অনুষ্ঠিত হৈছে। অধিবেশনৰ আজি প্ৰথম দিনা মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৰে বিটিচিৰ চলিত বিত্তীয় বছৰৰ বাকী থকা সময়খিনিৰ বাবে পৰিপূৰক দাবী মঞ্জুৰী উত্থাপন কৰে।

ooooo

মঙলদৈ লোকসভা সমষ্টিৰ প্ৰাক্তন সাংসদ তথা ছত্তীশগড়ৰ বৰ্তমানৰ ৰাজ্যপাল ৰমেন ডেকাই আজি বৰপেটা জিলাৰ হাউলীত সাৰ্বজনীন শিৱ মন্দিৰ দৰ্শন কৰে। ৰাজ্যপালগৰাকীয়ে হাউলী মন্দিৰ পৰিচালনা সমিতিয়ে আয়োজন কৰা এখন সভাত অংশগ্ৰহণ কৰি জনসাধাৰণক উদ্দেশ্যি দিয়া ভাষণত শ্ৰীডেকাই সকলোকে গছ ৰুবলৈ আহ্বান জনায়। পৰিবেশ ৰক্ষাৰ জৰিয়তে পৃথিৱীক সুৰক্ষিত কৰি ৰাখিব পৰা যাব বুলি উল্লেখ কৰি ৰাজ্যপালগৰাকীয়ে সকলো লোকক পৰিবেশৰ প্ৰতি দায়বদ্ধ হৈ থাকিবলৈ আহ্বান জনায়।

00000

ৰাজ্যৰ বিভিন্ন জিলাত আজিৰে পৰা ২৬ ডিচেম্বৰলৈ কুষ্ঠৰোগ চিনাক্তকৰণ অভিযান ৰূপায়ণ কৰা হৈছে। গোলাঘাট জিলাত কুষ্ঠৰোগ চিনাক্তকৰণৰ বাবে ৮৭০টা স্বাস্থ্য কৰ্মীৰ গোট নিয়োগ কৰা হৈছে। এই গোটসমূহত এগৰাকী আশাকৰ্মী আৰু এজন পুৰুষ স্বাস্থ্য কৰ্মী থাকিব। গোটৰ সদস্যসকলে জিলাখনৰ প্ৰতি ঘৰে ঘৰে গৈ কুষ্ঠৰোগৰ লক্ষণ চিনাক্ত কৰাৰ লগতে এই ৰোগৰ বিষয়ে সজাগতা সৃষ্টিৰ প্ৰয়াস চলাব। যিকোনো লোকৰ দেহত কুষ্ঠৰোগৰ লক্ষণ ধৰা পৰিলে তেওঁলোকক যাৱতীয় চিকিৎসাৰ বাবে নিকটতম স্বাস্থ্য কেন্দ্ৰ অথবা জিলা চিকিৎসালয়লৈ প্ৰেৰণ কৰা হ'ব। স্বাস্থ্য কৰ্মীৰ গোটসমূহৰ তত্বাৱধানৰ বাবে ১৭৪ গৰাকী পৰ্যবেক্ষক নিয়োগ কৰা হৈছে। উল্লেখযোগ্য যে গোলাঘাট জিলাত এই বছৰ ৩৫ জন কুষ্ঠৰোগী চিনাক্ত কৰা হৈছিল।

মাজুলী জিলা স্বাস্থ্য বিভাগৰ কমলাবাৰী খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰতো আজি পটীয়া চুমৈমাৰী আয়ুষ্মান আৰোগ্য মন্দিৰত জিলা স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালকৰ অধ্যক্ষতাত কুষ্ঠৰোগ চিনাক্তকৰণৰ শুভাৰম্ভ কৰা হয়।

বিশ্বনাথ জিলাতো আজিৰে পৰা জিলা স্বাস্থ্য বিভাগ আৰু বিশ্বনাথ শাখা স্বাস্থ্য অভিযানৰ অধীনত এই অভিযান ৰূপায়ণ কৰা হৈছে।

00000

সমগ্ৰ দেশতে শীঘ্ৰে দুৰ্ঘটনাগ্ৰস্তৰ নগদবিহীন চিকিৎসা আঁচনি আৰম্ভ হ'ব। কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে আজি লোকসভাৰ প্ৰশ্নকালত দিয়া উত্তৰত এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে ছখন ৰাজ্যত বলৱৎ হৈ থকা এই আঁচনিখন শীঘ্ৰে উত্তৰ প্ৰদেশ আৰু পিছলৈ দেশৰ বাকী অংশতো প্ৰৱৰ্তন কৰা হ'ব। এই আঁচনিৰ জৰিয়তে পথ দুৰ্ঘটনাগ্ৰস্ত লোকসকলে চিকিৎসালয়সমূহত ডেৰ লাখ টকা পৰ্যন্ত নগদবিহীন চিকিৎসাৰ সুবিধা লাভ কৰিব পাৰিব। ঘাইথপথসমূহত ক্ৰমাৎ বৃদ্ধি পোৱা দুৰ্ঘটনাক লৈ উদ্বেগ প্ৰকাশ কৰি মন্ত্ৰীগৰাকীয়ে প্ৰতিখন জিলাতে দুৰ্ঘটনা প্ৰতিৰোধ সমিতি গঠন কৰি এনে পথ দুৰ্ঘটনা সংঘটিত হোৱাৰ কাৰণসমূহ চালি-জাৰি চাবলৈ সদনৰ সদস্যসকলক অনুৰোধ জনায়। তাৎক্ষণিক চিকিৎসা লাভ নকৰা বা চিকিৎসাত পলম হোৱাৰ বাবে ৩০ শতাংশ পথ দুৰ্ঘটনা সংঘটিত লোকৰ মৃত্যু হোৱা বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে নগদবিহীন চিকিৎসা আঁচনিখনে সম্প্ৰতি ৰূপায়ণ হৈ থকা ছখন ৰাজ্যত ২১০০ গৰাকী লোকৰ জীৱন ৰক্ষা কৰিবলৈ সমৰ্থ হৈছে।

00000

আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগে ইয়াৰ বাতৰি আৰু আন অনুষ্ঠান সম্পৰ্কত শ্ৰোতাসকলৰ পৰা পোনপটীয়াকৈ মতামত, অভিযোগ আৰু পৰামৰ্শ লোৱাৰ ব্যৱস্থা কৰিছে। ইয়াৰ বাবে ৯৮৬৪০-৫৫৫৬৬ নম্বৰৰ Whatsapp যোগে মতামত গ্ৰহণৰ ব্যৱস্থা মুকলি কৰা হৈছে। শ্ৰোতাসকলৰ পৰা লাভ কৰা টেক্সট বা ভইচ বাৰ্তাৰ আধাৰত প্ৰতিমাহে একোটাকৈ অনুষ্ঠান প্ৰচাৰৰো দিহা কৰা হৈছে। অহা শনিবাৰ ১৪ ডিচেম্বৰৰ নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত ইয়াৰ প্ৰথম খণ্ড প্ৰচাৰ কৰা হ'ব। এই অনুষ্ঠান চলি থকাৰ সময়তো আগ্ৰহী শ্ৰোতাই ২৬৬১৮৭৬ আৰু ২৬৬২৩২৫ এই দুটা নম্বৰত অভিমত আৰু প্ৰশ্ন উত্থাপন কৰিব পাৰিব।

00000

সমাপ্ত